# CULTURAL RALLY ON THE OCCASION OF YOUTH FESTIVAL OF SARAIGHAT COLLEGE ON 7TH FEBRUARY, 2024

নিয়মীয়া বাৰ্তা বৃহস্পতিবাৰ, ৮ ফেব্ৰুৱাৰী ২০২৪




## বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাই দৃষ্টি আকৰ্ষণ কৰিলে স্থানীয় ৰাইজৰ

### শৰাইঘাট মহাবিদ্যালয়ৰ যুৱ মহোৎসৱ আৰম্ভ

নিয়মীয়া বাৰ্তা, চাংসাৰি, ৭ ফেব্ৰুৱাৰী ঃ কামৰূপ জিলাৰ চাংসাৰিস্থ শৰাইঘাট মহাবিদ্যালয়ৰ ৪৩সংখ্যক যুৱমহোৎসৱ কালিৰ পৰা আৰম্ভ হৈছে। ইতিমধ্যে যুৱ মহোৎসৱক লৈ শিক্ষানুষ্ঠানত শিক্ষাৰ্থীসকলৰ মাজত ব্যাপক উছাহ পৰিলক্ষিত হৈছে। বিশেষকৈ যুৱ মহোৎসৱক লৈ কালি উলিওৱা বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাই অঞ্চলটোৰ ৰাইজক মুগ্ধ কৰি তোলা পৰিলক্ষিত হয়। ইংৰাজী বিভাগৰ অধ্যাপিকা ১০ পৃষ্ঠাত

## বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাই দৃষ্টি আকৰ্ষণ কৰিলে স্থানীয়

ডঃ দেৱযানী দাসে উদ্বোধন কৰা শোভাযাত্ৰাটোত অধ্যক্ষ ডঃ মণি শৰ্মাই পতাকা জোকাৰি শুভাৰম্ভ কৰাৰ লগতে অংশগ্ৰহণকাৰীসকলক শুভেচ্ছা জনায়। উল্লেখ্য যে মহাবিদ্যালয় প্ৰাংগণৰ পৰা চাংসাৰিৰ ৩১নং ৰাষ্ট্ৰীয় ঘাইপথ সংলগ্ন সেৱা পথেৰে যাত্ৰা কৰা কাৰ্যসূচীটোত মহাবিদ্যালয়খনৰ অসমীয়া, ইংৰাজী, অৰ্থনীতি, ৰাজনীতি, ভূগোল, দৰ্শন, শিক্ষা আৰু পাৰ্টী বিভাগে যোগদান কৰে। দৃষ্টিনন্দন শোভাযাত্ৰাত হিন্দু-মুছলমানৰ সমন্বয়, অসমীয়া বিয়াৰ বিভিন্ন পৰম্পৰা, মানৱ সভ্যতাৰ বিৱৰ্তন, বিয়াৰ পানী তোলা পৰ্ব, আদৰ্শ গাঁৱৰ আৰ্হি, পৰিষ্কাৰ-পৰিচ্ছন্নতা অসমৰ গ্ৰামাঞ্চলৰ মহিলাসকলৰ মাছমৰা, ভুঁইৰোৱা, মাটি চাহোৰা কাৰ্য, সামাজিক সমস্যা যেনে বাল্যবিবাহ, শিশুশ্ৰমিক, নাৰী নিৰ্যাতন, যৌতুক প্ৰথা, বিলুপ্তপ্ৰায় ওজাপালি, মহোহোকে আদি কৰি দিহানাম, জিকিৰ, ঝুমুৰ আদি পৰিস্ফুট হয়। মহাবিদ্যালয়খনৰ এই সাংস্কৃতিক শোভাযাত্ৰাই অঞ্চলটোৰ সকলোকে আকৰ্ষিত কৰি তোলে। ইপিনে, শোভাযাত্ৰাৰ পূৰ্বেই পতাকা উত্তোলন কৰে অধ্যক্ষ ড° মণি শৰ্মাই। ছাত্ৰ একতা সভাৰ পতাকা উত্তোলন কৰে সভাপতি মৃণাল বড়োৱে। ইয়াৰ পিছত গছপুলি ৰোপণ, শ্বহীদ তৰ্পণ আৰু দিনৰ ভাগত থিতাতে তোলা আলোকচিত্ৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। তদুপৰি বাকীকেইদিনত সংগীত, নৃত্যকে ধৰি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই মহোৎসৱ সামৰণি পৰিব ১০ ফেব্ৰুৱাৰীত।





Guwahati, Thursday, February 8, 2024

দৈনিক জনমভূমি


# সাংস্কৃতিক ঐতিহ্যৰে জিলিকিল শৰাইঘাট কলেজ

## ৪৩সংখ্যক যুৱ মহোৎসৱৰ শুভাৰম্ভ




**মহানগৰ ব্যুৰ'**, ৭ ফেব্ৰুৱাৰী ঃ চাংসাৰিস্থিত উচ্চ শিক্ষাৰ অনুষ্ঠান শৰাইঘাট মহাবিদ্যালয়ৰ ৪৩সংখ্যক যুৱ মহোৎসৱ যোৱা ৬ ফেব্ৰুৱাৰীৰ পৰা মহাবিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত হৈছে। এই উপলক্ষে আয়োজন কৰা এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° মণি শৰ্মা আৰু ইংৰাজী বিভাগৰ অধ্যাপিকা ড° দেৱযানী দাসে শুভ উদ্বোধন কৰে। মহাবিদ্যালয়খনৰ অসমীয়া, ইংৰাজী, অৰ্থনীতি, ৰাজনীতি, ভূগোল, দৰ্শন, শিক্ষা আৰু পাৰ্ছী বিভাগে শোভাযাত্ৰাটোত অংশগ্ৰহণ কৰে। শোভাযাত্ৰাত অতি দৃষ্টিনন্দনভাৱে থকা হিন্দু-মুছলমানৰ সম্প্ৰীতি, অসমীয়া বিয়াৰ বিভিন্ন পৰম্পৰা, মানৱ সভ্যতাৰ বিৱৰ্তন, বিয়াৰ পানী তোলা পৰ্ব, আদৰ্শ গাঁৱৰ আৰ্হি, পৰিষ্কাৰ পৰিচ্ছন্নতা, অসমৰ গ্ৰামাঞ্চলৰ মহিলাসকলৰ মাছমৰা, ভূঁই ৰোৱা, মাটি চহোৱা কাৰ্য, সামাজিক সমস্যা যেনে— বাল্য বিবাহ, শিশু শ্ৰমিক, নাৰী নিৰ্যাতন, যৌতুক প্ৰথা, বিলুপ্তপ্ৰায় ওজাপালি, মহোহোকে আদি কৰি দিহানাম, জিকিৰ, ঝুমুৰ আদিৰ ভিন্নৰঙী সমাহাৰে সকলোকে মুগ্ধ কৰে।

## ৰিব সমাৰোহ

অহৰহ চেষ্টা চলাইছিল। নিজেও অভিনয় কৰি পূৰ্ণাংগ কিম্বা একাংকিকা নাটকৰ শিল্পক্ষেত্ৰক আগবঢ়াই নিবৰ বাবে উদাৰ আৰু বহল দৃষ্টিভংগীৰে নাট্যমঞ্চৰ ভেটি সুদৃঢ় কৰিবলৈ চেষ্টাৰ ত্ৰুটী কৰা নাছিল। সেইগৰাকী সিংহপুৰুষৰ স্মৃতিৰে নাট্য সংস্কৃতিৰ সুন্দৰতা অক্ষুণ্ণ ৰাখিবলৈ জ্যোতিৰূপাই তেওঁৰ প্ৰতি শ্ৰদ্ধা নিৱেদন কৰি তিনিদিনীয়া নাট সমাৰোহৰ আয়োজন কৰিছে। সভাপতি প্ৰফুল্ল গোবিন্দ বৰুৱাৰ নেতৃত্বত অন্তহীন, আলোকসন্ধানী সুন্দৰ পথৰ যাত্ৰাৰে নাটৰ গুণগত মান বৰ্ধনৰ প্ৰতি লক্ষ্য ৰাখি জ্যোতিৰূপাই ষষ্ঠদশ বৰ্ষত পদাৰ্পণ কৰিলে।